**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-07-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। ৰাজ্যৰ মহাবিদ্যালয়ত নিযুক্তিৰ ক্ষেত্ৰত স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ বাধ্যতামূলক নহয় বুলি জাৰি কৰা নিৰ্দেশনা অসম চৰকাৰৰ প্ৰত্যাহাৰ। এই সন্দৰ্ভত তদন্তৰ নিৰ্দেশ।

২। অসম মন্ত্ৰীসভাৰ বৈঠকত **আপোন ঘৰ** আঁচনিৰ অধীনত প্ৰদান কৰা ঋণৰ ধন ৩০ লাখ টকালৈ বৃদ্ধিত অনুমোদন।

৩। প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত বিনামূলীয়া নামভৰ্তিৰ বাবে ৩৪৯খন শিক্ষানুষ্ঠানক ৬৮ কোটিৰো অধিক টকা বিতৰণ।

৪। শিৱসাগৰ জিলাত এনকেফেলাইটিছ্‌ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ প্ৰতিহত কৰিবলৈ স্বাস্থ্য বিভাগৰ সজাগতা অভিযান।

আৰু

৫। ভাৰত আৰু জিম্বাব্‌ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত জিম্বাব্‌ৱেক জয়ৰ বাবে ভাৰতৰ ১৮৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

অসম চৰকাৰে ৰাজ্যৰ মহাবিদ্যালয়সমূহৰ সহকাৰী অধ্যাপক, গ্ৰন্থাগাৰিক আৰু তৃতীয় তথা চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ বাধ্যতামূলক নহয় বুলি জাৰি কৰা নিৰ্দেশনা প্ৰত্যাহাৰ কৰাৰ লগতে তদন্তৰ নিৰ্দেশ দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে তদন্ত ঘোষণা কৰি কয় যে স্থানীয় ভাষাত বুৎপত্তি থকা প্ৰাৰ্থীয়েহে মহাবিদ্যালয়ত শিক্ষক হিচাপে নিযুক্তি লাভ কৰিব পাৰে। স্থানীয় বাসিন্দাৰ প্ৰমাণ পত্ৰ থকাৰ পাছতো যদি স্থানীয় ভাষাত বুৎপত্তি নাথাকে তেনে প্ৰাৰ্থীয়ে মহাবিদ্যালয়ত নিযুক্তি লাভ নকৰে বুলি তেওঁ স্পষ্ট কৰি দিয়ে। এনে পৰিস্থিতিত উচ্চ শিক্ষা সঞ্চালকালয়ে স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ সন্দৰ্ভত নিৰ্দেশ জাৰি কৰাটো অপ্ৰয়োজনীয় আছিল বুলি তেওঁ কয়। শিক্ষামন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত এটা পোষ্টযোগে কয় যে চৰকাৰৰ অনুমোদন অবিহনে উচ্চ শিক্ষা সঞ্চালকালয়ে এই নিৰ্দেশনা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ সন্দৰ্ভত কেৱল চৰকাৰেহে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। কোনো কাৰণতে সঞ্চালকালয়ে এনে নিৰ্দেশনা দিব নোৱাৰে বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

০০০০০০০০০

অসম মন্ত্ৰীসভাৰ বৈঠকে আজি ২০১৬-১৭ চনত ৰাজ্য চৰকাৰে আৰম্ভ কৰা **আপোন ঘৰ** আঁচনিৰ অধীনত প্ৰদান কৰা ঋণৰ পৰিমাণৰ ৩০ লাখ টকালৈ বৃদ্ধি কৰিছে। এই আঁচনিৰ অধীনত ৩৭ হাজাৰ ২৭৭ গৰাকী কৰ্মচাৰীয়ে ঋণ লৈছে। দিছপুৰত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, **আপোন ঘৰ** আঁচনিৰ অধীনত পূৰ্বে ১৫ লাখ টকাকৈ এই কৰ্মচাৰীসকলে মুঠ ৫ হাজাৰ ৬৬৩ কোটি টকা ঋণ লৈছিল। এতিয়াৰ পৰা কৰ্মচাৰীসকলে ৩০ লাখ টকা পৰ্যন্ত ঋণ ল'ব পাৰিব আৰু ইয়াৰ এক শতাংশকৈ সুদ ৰাজ্য চৰকাৰে আদায় দিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ

দিয়ে। ইপিনে মহিলা কৰ্মচাৰীয়ে এবছৰতকৈ কম বয়সৰ সন্তান তুলি ল'লে ১৮০ দিনৰ প্ৰতিপালনৰ ছুটী লাভ কৰিব। তদুপৰি অসম ৰাজ্যিক কৃষি বিপণন ব'ৰ্ডৰ ৬১২ গৰাকী কৰ্মচাৰীক স্বেচ্ছামূলত অৱসৰ গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তাৱ দিছে বুলি কেবিনেটত লোৱা সিদ্ধান্তৰ কথা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই কৰ্মচাৰীসকলৰ স্বেচ্ছামূলক অৱসৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ইয়াৰ বাবে ১৫৫ কোটি টকা ব্যয় কৰা হ'ব। স্বেচ্ছামূলক অৱসৰৰ বাবে পাবলগীয়া ধনৰ অতিৰিক্ত ১০ শতাংশ চৰকাৰে প্ৰদান কৰাৰ বাবেও কেবিনেটত সিদ্ধান্ত লোৱা হয়। আনহাতে কৃষি বিপণন ব'ৰ্ডৰ ১৩১ গৰাকী চুক্তিভিত্তিক কৰ্মচাৰীকো স্বেচ্ছামূলক অৱসৰৰ বাবে নিৰ্দিষ্ট হাৰত ধন প্ৰদান কৰা হ'ব। একেদৰে ফিক্সড পে' অৰ্থাৎ নিৰ্দিষ্ট হাৰত দৰমহা লাভ কৰা কৰ্মচাৰীসকলেও স্বেচ্ছামূলক অৱসৰৰ ধন লাভ কৰিব। ইপিনে অসম ৰাজ্যিক কৃষি বিপণন ব'ৰ্ড বন্ধ কৰাৰ কোনো লোৱা সিদ্ধান্ত লোৱা হোৱা নাই বুলি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ শিক্ষামন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজি ৬৮ কোটিৰো অধিক টকা বিতৰণ কৰে। ৰাজ্য চৰকাৰে উচ্চ শিক্ষাৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ বিনামূলীয়া নামভৰ্তিৰ ধন বিতৰণৰ প্ৰথম পৰ্যায়ত এই ধনৰাশি মোকলাই দিয়ে।

এই আঁচনিৰ অধীনত ২০২৪-২৫ শিক্ষাবৰ্ষত ৩৪৯খন শিক্ষানুষ্ঠানৰ ৯৪ হাজাৰ ৮৩৮ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। আৰম্ভণিৰেপৰা বিগত শিক্ষা বৰ্ষলৈ এই আঁচনিয়ে ২২ লাখৰো অধিক শিক্ষাৰ্থীক সামৰি লৈছে। উল্লেখযোগ্য যে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ৰূপায়িত মাচুল ৰেহাই আঁচনিৰ জৰিয়তে উচ্চতৰ মাধ্যমিক অথবা স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমত শিক্ষাৰ্থীসকলক বিনামূলীয়া নামভৰ্তিৰ সুবিধা প্ৰদান কৰা হয়। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এই কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়েও অংশগ্ৰহণ কৰে। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ ধন ছেপ্তেম্বৰত আদায় দিয়া হ'ব।

০০০০০০০

সাম্প্ৰতিক বানত ৰাজ্যখনৰ ২৬ খন জিলাৰ ১৭ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে আজি প্ৰকাশ কৰা তথ্য অনুসৰি এতিয়াও ৯০টা ৰাজহ চক্ৰৰ ২ হাজাৰ ৭০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৭ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৯ লৈ বৃদ্ধি পাইছে। বানৰ ফলত যোৱা ২৪ ঘণ্টাত ৯৪টা পথ আৰু ৩ খন দলঙৰ লগতে অন্যান্য আন্তঃগাঁথনিৰ ক্ষতি হৈছে। ইফালে ২৪০টা আশ্ৰয় শিবিৰত ৪৮ হাজাৰতকৈ অধিক বান ক্ষতিগ্ৰস্ত লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফৰ দলে কাছাৰ, বৰপেটা, বঙাইগাঁও, ডিব্ৰুগড় আৰু যোৰহাটৰ বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। আনহাতে এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে অন্য জিলাত অভিযান অব্যাহত ৰাখিছে। কেন্দ্ৰীয় জল আয়োগৰ তথ্য অনুসৰি ব্ৰহ্মপুত্ৰৰ লগতে দিখৌ, দিচাং, বুঢ়িদিহিং, কুচিয়াৰাকে ধৰি কেইবাখনো নৈৰ পানী এতিয়াও বিপদসীমাৰ ওপৰত আছে। বৰঝাৰত থকা বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত ধুবুৰী, দক্ষিণ শালমাৰা, গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাঁও, চিৰাং, বাক্সা আৰু বৰপেটা জিলাত বিজুলী-গাজনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

বৰাক উপত্যকাৰ বান পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। কৰিমগঞ্জ জিলাৰ ৪৬টা অঞ্চল এতিয়াও বানৰ কবলত আছে। জিলাখনত স্থাপন কৰা ৪০টা আশ্ৰয় শিবিৰত ৩ হাজাৰৰো অধিক লোক আশ্ৰয় লৈ আছে। জিলাখনৰ ২৫ হাজাৰ ৪০০ৰো অধিক লোক বানত ক্ষতিৰ সন্মুখীন হৈ আছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৬৫ খন গাঁৱৰ বিভিন্ন অঞ্চল প্লাৱিত হৈ আছে। জিলা প্ৰশাসনে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত সাহায্য বিতৰণ অব্যাহত ৰাখিছে। ৰঙিয়াৰ বালাগাঁৱত আজি বান ক্ষতিগ্ৰস্ত ৰাইজৰ সহায়ৰ বাবে স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। বিনামূলীয়া এই স্বাস্থ্য শিবিৰ বিধায়ক ভবেশ কলিতাই মুকলি কৰে। শিবিৰত ক্ষতিগ্ৰস্ত লোকৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়।

গোৱালপাৰা জিলাত বাঢ়নী পানী হ্ৰাস পাইছে যদিও পৰিস্থিতি সামগ্ৰিকভাৱে উন্নত হোৱা নাই। অৱশ্যে বানৰ সময়তো জলজীৱন অভিযানৰ প্ৰায়সংখ্যক আঁচনি কাৰ্যক্ষম হৈ থকাত ক্ষতিগ্ৰস্ত লোকসকলে বিশুদ্ধ খোৱাপানী লাভ কৰিবলৈ সমৰ্থ হৈছে। দুৰ্গম এলেকাত বানৰ ফলত আবদ্ধ হৈ থকা লোকসকলক জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ পৰা খোৱাপানীৰ পেকেট প্ৰদান কৰা হয়। তদুপৰি জনস্বাস্থ্য কাৰিকৰী বিভাগে পানীৰ লগতে অন্যান্য সামগ্ৰী বিতৰণ অব্যাহত ৰাখিছে। আজি বিভাগটোৱে স্বাস্থ্য বিভাগ, সমাজ কল্যাণ বিভাগ তথা পশু চিকিৎসা বিভাগৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। এই বৈঠকত বানৰ পাছত হ'বপৰা ৰোগ সন্দৰ্ভত আলোচনা কৰা হয়।

ooooooo

যোৰহাট জিলাৰ সেনা নিযুক্তি কাৰ্যালয়ে ৰাজ্যৰ ৯ খন জিলাৰ অগ্নিবীৰ আঁচনিৰ প্ৰাৰ্থীৰ বাবে অহা ১৫ জুলাইৰ পৰা ২০ জুলাইলৈ নিযুক্তি সমাবেশৰ আয়োজন কৰিছে। যোৰহাট, মাজুলী, তিনিচুকীয়া, ডিব্ৰুগড়, গোলাঘাট, শিৱসাগৰ, চৰাইদেউ, ধেমাজি আৰু লখিমপুৰ জিলাৰ বাছনিভুক্ত প্ৰাৰ্থীয়ে এই সমাৱেশত অংশ ল'ব পাৰিব। প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰত উল্লেখ কৰা দিনটোত অনুশীলন কৰা স্থানত উপস্থিত হ'বলৈ আহ্বান জনোৱা হৈছে। বাছনিভুক্ত প্ৰাৰ্থীসকলে নিযুক্তি সমাবেশত দৌৰৰ লগতে শাৰীৰিক সক্ষমতাৰ পৰীক্ষা আৰু স্বাস্থ্য পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

ooooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

000000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দিছপুৰৰ জনতা ভৱনত ড° বাণীকান্ত কাকতি মেধা বঁটা, ২০২৪-ৰ অধীনত স্কুটী বিতৰণ কাৰ্যসূচীৰ নিৰ্দেশৰ পৰ্যালোচনাৰ বাবে এখন বৈঠক অনুষ্ঠিত হয়। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৬০ শতাংশ নম্বৰ লাভ কৰা ছাত্ৰী আৰু ৭৫ শতাংশ নম্বৰ লাভ কৰা ছাত্ৰসকলক ৰাজ্য চৰকাৰে স্কুটী প্ৰদান কৰিব। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে উচ্চশিক্ষাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি বৃদ্ধিৰ বাবে পদক্ষেপ ল'বলৈও সংশ্লিষ্ট বিষয়াবৰ্গক নিৰ্দেশ প্ৰদান কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ সংগ্ৰহালয় স্থাপন সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে খিলঞ্জীয়া জনজাতীয় বিশ্বাস আৰু সাংস্কৃতিক বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আন এখন বৈঠকত মিলিত হয়। বৈঠকত প্ৰধানমন্ত্ৰীৰ সংগ্ৰহালয়ৰ আৰ্হিত ৰাজ্যত মুখ্যমন্ত্ৰী সংগ্ৰহালয় স্থাপনৰ বিভিন্ন দিশ সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে সংগ্ৰহালয়ৰ বিশেষজ্ঞ, শিক্ষাবিদ, ইতিহাসবিদ, স্থাপত্যবিদক অন্তৰ্ভুক্ত কৰি এখন বিশেষজ্ঞ সমিতি গঠন কৰাৰ বাবে পৰামৰ্শ দিয়ে। এই সমিতিখনক প্ৰধানমন্ত্ৰী সংগ্ৰহালয়টো পৰিদৰ্শন কৰি ইয়াৰ সৃষ্টিৰ আঁৰত থকা ব্যক্তিসকলক সাক্ষাৎ কৰি অধ্যয়ন আৰু গৱেষণাৰ অন্তত পৰৱৰ্তী পৰিকল্পনা যুগুত কৰিবলৈ তেওঁ পৰামৰ্শ আগবঢ়ায়।

000000000

শিৱসাগৰ জিলাত এনচেফেলাইটিছ সদৃশ ৰোগত ২৫ জন লোক আক্ৰান্ত হৈছে। জিলা স্বাস্থ্য বিভাগৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে আক্ৰান্তসকলৰ ভিতৰত ১২ জন জাপানীজ এনচেফেলাইটিছত আক্ৰান্ত বুলি চিনাক্ত কৰা হৈছে। ইয়াৰ ভিতৰত ৩ জন লোকৰ ইতিমধ্যে মৃত্যু হৈছে। স্বাস্থ্য বিভাগে এই ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱা অঞ্চলসমূহত ঔষধ ছটিওৱাৰ ব্যৱস্থা লৈছে। ইয়াৰ লগতে বানৰ পানী শুকাবলৈ ধৰা অঞ্চলসমূহতো মহৰ বংশবৃদ্ধি হ্ৰাস কৰিবলৈ ঔষধ ছটিওৱা হৈছে। এই ৰোগ চিনাক্তকৰণৰ পৰিপ্ৰেক্ষিতত বিভিন্ন স্থানত ঔষধযুক্ত আঁঠুৱা বিতৰণ কৰাৰ লগতে স্বাস্থ্য বিভাগে সজাগতা কাৰ্যসূচী গ্ৰহণ কৰি জনসাধাৰণক এই ৰোগৰ পৰা হাত সাৰি থকা উপায় সম্পৰ্কে অৱগত কৰিছে। তদুপৰি বানৰ পাছত ডায়েৰিয়াকে ধৰি বিভিন্ন ৰোগত যাতে জনসাধাৰণে আক্ৰান্ত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি পানী বিশুদ্ধকৰণৰ বাবে হেল'জেন টেবলেট আৰু অ আৰ এছ বিতৰণ কৰা হৈছে।

000000000

ৰাজ্যৰ সামাজিক ন্যায়, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি মৰাণ স্বায়ত্বশাসিত পৰিষদ আৰু মৰাণ জনগোষ্ঠীৰ দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতে দিছপুৰৰ জনতা ভৱনত এখন বৈঠকত মিলিত হয়। এই বৈঠকত মৰাণ স্বায়ত্বশাসিত পৰিষদৰ সীমা নিৰ্ধাৰণ সন্দৰ্ভত বিষদভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰিও মৰাণ জনগোষ্ঠীৰ জনসংখ্যাৰ জৰীপ চলাই পৰৱৰ্তী সময়ত পাৰিষদীয় সমষ্টি গঠনৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। পূৰ্ণাংগ ৰূপত মৰাণ স্বায়ত্বশাসিত পৰিষদ গঢ়ি তোলাৰ সন্দৰ্ভত জনগোষ্ঠীটোৰ দল-সংগঠনৰ সৈতে আলোচনা কৰা হয়। মন্ত্ৰী হাজৰিকাই মৰাণ জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়নৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁলোকক অৱগত কৰে। বৈঠকত মৰাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণকে ধৰি ভালেমান প্ৰতিনিধি উপস্থিত থাকে।

আনহাতে মন্ত্ৰী হাজৰিকাই আজি দিছপুৰৰ জনতা ভৱনৰ সভাকক্ষত মটক স্বায়িত্বশাসিত পৰিষদ আৰু মটক জনগোষ্ঠীৰ দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতেও একেধৰণৰ বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। এই বৈঠকত মটক স্বায়িত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়া, সদৌ মটক ছাত্ৰ সন্থাকে ধৰি কেইবাটাও মটক দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে। আজিৰ পৃথকৈ অনুষ্ঠিত দুয়োখন বৈঠকত সামাজিক ন্যায় বিভাগৰ আয়ুক্ত সচিব বীৰেন্দ্ৰ মিট্টাল আৰু অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালককে ৰাজ্যৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰেছ্ ইনফৰমেচন ব্যুৰ’ আৰু ছেন্ট্ৰেল ব্যুৰ’ অফ কমিউনিকেচনৰ উত্তৰ-পূব মণ্ডলৰ গুৱাহাটীত থকা মুখ্য কাৰ্যালয়ৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ এখন মাণ্ডলিক সন্মিলনৰ আয়োজন কৰা হৈছে। পি আই বি আৰু চি বি চিৰ বিষয়াসকলৰ বাবে আয়োজিত এই সন্মিলনৰ আজি উদ্বোধনী অনুষ্ঠানত পি আই বি উত্তৰ-পূব মণ্ডলৰ সঞ্চালক প্ৰধান কে সতীশ নাম্বুদিৰিপাড, পি আই বি গুৱাহাটীৰ অতিৰিক্ত সঞ্চালক প্ৰধান জেন নেমচুৰ লগতে কেইবাগৰাকীও মুখ্য বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০০০০

গুৱাহাটীৰ ৰাজীৱ ভৱনত আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱগঠিত অনুশাসন সমিতিৰ প্ৰথম বৈঠক অনুষ্ঠিত হয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত বিগত লোকসভা নিৰ্বাচনত দল বিৰোধী কাৰ্যকলাপত জড়িত থকা অভিযোগ উঠা সদস্যসকললৈ জাননী জাৰি কৰাৰ সিদ্ধান্ত লোৱা হয়। প্ৰদেশ কংগ্ৰেছ কমিটীয়ে এতিয়ালৈকে ৬ খন জিলাৰ পৰা এনেধৰণৰ ৩৫টা অভিযোগ লাভ কৰিছে বুলি দলৰ সংবাদকোষৰ অধ্যক্ষ বেদব্ৰত বৰাই জানিবলৈ দিছে। আজিৰ বৈঠকত অনুশাসন সমিতিৰ অধ্যক্ষ নৃপেন ঠাকুৰীয়া, সহকাৰী অধ্যক্ষ ববিতা শৰ্মাকে ধৰি ভালেমান শীৰ্ষ নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০০০০

গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলাৰ নিচাযুক্ত দ্ৰব্য নিয়ন্ত্ৰণ সমন্বয় কেন্দ্ৰৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত জিলাখনৰ ব্যক্তিগত খণ্ডত চলি থকা নিচামুক্ত আৰু পুনৰ সংস্থাপন কেন্দ্ৰসমূহে যাতে চৰকাৰী নীতি-নিৰ্দেশনাসমূহ মানি চলে সেইটো নিশ্চিতকৰণৰ সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ উপৰিও জিলাখনৰ যিসমূহ ফাৰ্মাচীয়ে বৰ্তমানেও চিচিটিভি কেমেৰা সংস্থাপন কৰা নাই, তেনে ফাৰ্মাচীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়।

ইয়াৰ উপৰিও জিলা পথ সুৰক্ষা সমিতিৰো এখন বৈঠক অনুষ্ঠিত হয়। আনহাতে জিলা উপায়ুক্তগৰাকীয়ে আজিৰ এই বৈঠকতে জিলাখনত নিৰ্মাণ হৈ থকা ৫৮টা অংগনবাড়ী কেন্দ্ৰৰ কাম-কাজৰ বুজ লৈ এই মাহৰ ভিতৰতে নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০০০০

হাৰাৰে স্প'ৰ্টছ্ ক্লাবত চলি থকা ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্রিকেট শৃংখলাৰ তৃতীয়খন খেলত ভাৰতে জিম্বাব'ৱেক জয়ৰ বাবে ১৮৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাতৰি যুগুতোৱাৰ পৰলৈকে জিম্বাব'ৱেই ৪ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই ৩০ ৰান সংগ্ৰহ কৰি খেলি আছে। খেলখনত ভাৰতে টছত জয়ী হৈ প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত চাৰিটা উইকেট হেৰুৱাই ১৮২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ যশস্বী জয়ছোৱালে ২৭ টা বলত ৩৬ ৰান, শুভমন গীলে ৪৯ টা বলত ৬৬ ৰান আৰু ঋতুৰাজ গাইকোৱাড়ে ২৮ টা বলত ৪৯ ৰান সংগ্ৰহ কৰে। উল্লেখযোগ্য যে শৃংখলাত দুয়োটা দলে এখনকৈ খেলত জয়লাভ কৰিছে।

০০০০০০০

**সমাপ্ত**